বদৰ আৰু হুদাইবিয়্যাত অংশগ্ৰহণ কৰা কোনো ব্যক্তিয়েই কেতিয়াও জাহান্নামত প্ৰৱেশ নকৰিব।

জাবিৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "বদৰ আৰু হুদাইবিয়্যাত অংশগ্ৰহণ কৰা কোনো ব্যক্তিয়েই কেতিয়াও জাহান্নামত প্ৰৱেশ নকৰিব।"
[رواه أحمد وأصله في صحيح مسلم] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, দ্বিতীয় হিজৰীত সংঘটিত হোৱা বদৰৰ যুদ্ধত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে যিসকল চাহাবাই অংশ গ্ৰহণ কৰিছিল আৰু হুদাইবিয়াৰ সন্ধিত যিসকলে উপস্থিত আছিল, লগতে বাইআতে ৰিজৱানত উপস্থিত আছিল, যিটো ষষ্ঠ হিজৰীত সংঘটিত হৈছিল, সেই চাহাবাসকলৰ কোনেও জাহান্নামত প্ৰৱেশ নকৰিব।

http://sunnah.global/hadeeth/as/show/11148